{কুল হুৱাল্লাহু আহাদ}, আৰু ছুৰা ফালাক আৰু নাছ পুৱা গধূলি তিনিবাৰকৈ পঢ়িবা। সকলো ক্ষেত্ৰতে এইটো তোমাৰ বাবে যথেষ্ট হ'ব।

আব্দুল্লাহ বিন খুবাইব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ এবাৰ আমি
বৰষুণৰ ৰাতি গভীৰ অন্ধকাৰত আমাৰ বাবে দুআ কৰাৰ উদ্দেশ্যে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক বিচাৰি ওলালোঁ। অৱশেষত তেখেতক বিচাৰি পালোঁ। তেখেতে ক'লেঃ 'কোৱা', মই
একো নক'লোঁ। তেখেতে আকৌ ক'লেঃ 'কোৱা', মই একো নক'লোঁ। তেখেতে পুনৰ ক'লেঃ 'কোৱা', তেতিয়া মই ক'লোঁ, কি কম? তেখেতে ক'লেঃ "{কুল হুৱাল্লাহু আহাদ}, আৰু ছুৰা ফালাক আৰু
নাছ পুৱা গধূলি তিনিবাৰকৈ পঢ়িবা। সকলো ক্ষেত্ৰতে এইটো তোমাৰ বাবে যথেষ্ট হ'ব।" [ছহীহ] [(আবু দাঊদ, তিৰমিজী, নাছায়ী)]

সন্মানীয় চাহাবী আব্দুল্লাহ বিন খুবাইব ৰাদ্বিয়াল্লাহুৱে জনাইছে যে, তেওঁলোকে এবাৰ ধাৰাসাৰ বৰষুণৰ ৰাতি গভীৰ অন্ধকাৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামক বিচাৰি গৈছিল, যাতে তেখেতে তেওঁলোকৰ বাবে দুআ কৰি দিয়ে, অৱশেষত তেওঁলোকে তেখেতক বিচাৰি পাইছিল। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক কৈছিলঃ "কোৱা" অৰ্থাৎ পঢ়া, কিন্তু তেওঁ একো নপঢ়িলে। এই কথাষাৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে পুনৰ ক'লেঃ তেতিয়া আব্দুল্লাহে ক'লেঃ হে আল্লাহৰ ৰাছুল! মই কি পঢ়িম? তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ ছুৰা ইখলাচ (ক্বুল হুৱাল্লাহু আহাদ) আৰু মাওউজাতাইন (ক্বুল আউজু বিৰাব্বিল ফালাক্ব আৰু ক্বুল আউজু বিৰাব্বিন্নাছ) পুৱা গধূলি তিনিবাৰকৈ পাঠ কৰা। ইয়াৰ ফলত সকলো প্ৰকাৰৰ অনিষ্টৰ পৰা ৰক্ষা পাবা।

http://www.sunnah.global/hadeeth/as/show/6082